**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-OCT-2025
**Time :** 0900  Hrs

## *Assamese Morning Bulletin*
## *Headlines*

--------------------

১।　মাজনিশা বাক্সা জিলাৰ নিকাছিত উপস্থিত হৈ আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙৰ পৰিস্থিতিৰ পৰ্যালোচনা। অসম আৰক্ষীৰ সকলো ছুটী বাতিল।

২।　জুবিন গাৰ্গৰ ন্যায়ৰ বাবে সামাজিক মাধ্যমত **হেছটেগ জাষ্টিছ ফৰ জুবিন** লিখি ১২ লাখ অনুৰাগীৰ প্ৰতিবাদ।

৩।　জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ বাবে কাইলৈ বিৰোধী দলপতি ৰাহুল গান্ধীৰ অসম ভ্ৰমণ।

৪।　উত্তৰ-পূৰ্বাঞ্চলত ক্ৰীড়াৰ প্ৰসাৰৰ বাবে বাস্তৱসন্মত আন্তঃগাঁথনিত ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ গুৰুত্ব আৰোপ।　　　**আৰু**

৫।　মহিলাৰ আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি অষ্ট্ৰেলিয়া বাংলাদেশৰ মুখামুখি।

000000

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়িক জিম্মা লাভ কৰা অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজনক কালি বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা হিংসাত্মক ঘটনাৰ পাছত মাজনিশা ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিং ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে বিয়লিৰ ভাগত উদ্ভৱ হোৱা পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ পাছত সাংবাদিকৰ সৈতে মত বিনিময় কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আৰক্ষী বিষয়াগৰাকীয়ে কয়, যে ন্যায় প্ৰদানৰ এটা প্ৰক্ৰিয়া আছে, এই প্ৰক্ৰিয়াৰেহে আগবঢ়া উচিত। ঘটনাত জড়িত দোষীয়ে শাস্তি পাবই বুলি উল্লেখ কৰি ৰাজ্যৰ উন্নয়নৰ স্বাৰ্থত সকলোকে মিলি কাম কৰিবলৈ তেওঁ আহ্বান জনায়।

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ন্যায় প্ৰদানৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে নিৰ্দিষ্ট সময়ৰ প্ৰয়োজন আৰু সেয়েহে জনসাধাৰণক ন্যায় ব্যৱস্থাৰ ওপৰত আস্থা ৰাখিবলৈ তেওঁ আহ্বান জনায়। নতুন দিল্লীত ছিংগাপুৰৰ উপ-উচ্চায়ুক্ত এলিছ চেঙৰ সৈতে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত আলোচনা কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে কালি বাক্সাত সৃষ্টি হোৱা পৰিস্থিতি অতি দুখজনক বুলিও কয়। জনতাৰ শিল্পী জুবিন গাৰ্গক লৈ জনসাধাৰণৰ আৱেগক ৰাজনৈতিক আহিলা হিচাপে ব্যৱহাৰ নকৰিবলৈ তেওঁ সকলো দলৰ প্ৰতি আহ্বান জনাইছে।

**বাইট (চি এম)**

ছিংগাপুৰৰ উপ-উচ্চায়ুক্তগৰাকীয়ে দেশখনত জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে বুলি প্ৰকাশ কৰাৰ লগতে অসমবাসী ৰাইজক তদন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱালৈ ধৈৰ্য ধৰিবলৈ আহ্বান জনায়। তেওঁ লগতে জুবিন গাৰ্গৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

**বাইট (এলিছ চেং)**

কালি বিয়লি বাক্সাৰ নিকাছিত হিংসাত্মক পৰিস্থিতি সৃষ্টি হোৱাৰ পাছত নিশা পৰ্যন্ত উত্তেজনা অব্যাহত থাকে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সমগ্ৰ জিলাখনত কালি আবেলিৰ পৰা সান্ধ্য আইন জাৰি কৰা হৈছে। সন্ধিয়াৰ পৰা জিলাখনত

মোবাইল ইণ্টাৰনেট সেৱাও কৰ্তন কৰা হৈছে। পৰিস্থিতি অধিক জটিল হোৱাৰ আশংকাত ইতিমধ্যে ৰাজ্যৰ গৃহ বিভাগে অসম আৰক্ষীৰ সকলো ছুটী বাতিল কৰিছে। অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ে ৰাজ্যৰ সাম্প্ৰতিক আইন শৃংখলা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কালি এই নিৰ্দেশনা জাৰি কৰে। এই নিৰ্দেশনা অনুসৰি ইতিপূৰ্বে অনুমোদন জনোৱা নৈমিত্তিক ছুটী, ষ্টেচন লিভ আদিও বাতিল কৰা হৈছে। অৱশ্যে স্বাস্থ্য সম্পৰ্কীয় জৰুৰীকালীন বিষয়ৰ ছুটীত অনুমোদন দিয়া হৈছে।

উল্লেখযোগ্য যে কালি দুপৰীয়াৰ ভাগত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযুক্তকেইজনক গুৱাহাটীৰ পৰা নিকাছিৰ কাৰাগাৰলৈ লৈ গৈ থকা অৱস্থাত কাৰাগাৰৰ প্ৰৱেশদ্বাৰৰ সমীপত আৰক্ষীৰ বাহনক লক্ষ্য কৰি স্থানীয় একাংশ লোকে আক্ৰমণ কৰাৰ লগতে আৰক্ষীৰ বাহনতো আক্ৰমণ কৰাৰ ফলত হঠাৎ পৰিস্থিতি জটিল হৈ পৰে। উত্তেজিত লোকসকলে আৰক্ষীৰ গাড়ীলৈ শিল দলিওৱাৰ উপৰি আৰক্ষী আৰু সংবাদ মাধ্যমৰ কেইবাখনো বাহনত অগ্নিসংযোগ কৰে। আটাইকেইজন অভিযুক্তক কাৰাগাৰৰ বাহিৰলৈ উলিয়াই দিয়াৰ দাবী জনাই ভালেসংখ্যক লোকে প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছত আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত হতাহতি হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে প্ৰথমে কন্দুৱা গেছ প্ৰয়োগ কৰে যদিও পৰিস্থিতি নিয়ন্ত্ৰণ নোহোৱাত শূন্যলৈ গুলীচালনা কৰিবলগীয়া হয়। আৰক্ষীৰ গুলীচালনাত গুৰুতৰভাৱে আহত দীপক মেধি নামৰ এজন যুৱকক নিশা গুৱাহাটীৰ এইমছত ভৰ্তি কৰোৱা হয়। যুৱকজনৰ নিশা এটা অস্ত্ৰোপচাৰো কৰা হয়। অৱশ্যে আজি পুৱাৰ ভাগত ঘটনাস্থলীৰ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহিছে। নিকাছিৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আমাৰ বাক্সাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে জনাইছে।

**ভইচ (দামোদৰ তালুকদাৰ)**

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ ন্যায়ৰ দাবীৰে শিল্পীগৰাকীৰ অনুৰাগীসকলে সামাজিক মাধ্যমত প্ৰতিবাদ অব্যাহত আছে। শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ ক্ষিপ্ৰ তদন্তৰ দাবীৰেই ইতিমধ্যে সামাজিক মাধ্যমত প্ৰতিবাদ আৰম্ভ হৈছে। সামাজিক মাধ্যমত **হেছটেগ জাষ্টিছ ফৰ জুবিন** লিখি এইপৰ্যন্ত ১২ লাখ অনুৰাগীয়ে ন্যায়ৰ দাবী জনাইছে। জুবিন গাৰ্গৰ মৃত্যুৰ পাছৰে পৰা ডিজিটেল প্ৰতিবাদ আৰম্ভ হৈছে যদিও শেহতীয়া দুটা দিনত এই প্ৰতিবাদে অধিক জোৰদাৰ ৰূপ লৈছে। জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে শিল্পীগৰাকীৰ সোণাপুৰৰ সমাধিক্ষেত্ৰলৈ গৈ সামাজিক মাধ্যমত **হেছটেগ জাষ্টিছ ফৰ জুবিন** লিখি ন্যায় বিচাৰিবলৈ সকলো অনুৰোধ জনাইছিল। লক্ষণীয়ভাৱে গৰিমা গাৰ্গৰ এই আহ্বানৰ পাছতে সামাজিক মাধ্যমত শিল্পীগৰাকীৰ অনুৰাগীসকলৰ এনে প্ৰতিবাদ জোৰদাৰ হৈ পৰিছে। ইপিনে অসমৰ জনসাধাৰণৰ হেছটেগত অতিষ্ঠ হৈ কালি পুৱাৰে পৰা বিয়লি পৰ্যন্ত ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙে তেওঁৰ ফেচবুক একাউণ্ট নিষ্ক্ৰিয় কৰি ৰাখে। বিগত কিছুদিন ধৰি জুবিন গাৰ্গৰ অনুৰাগীসকলে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰীৰ ফেচবুক প’ষ্টটো **হেছটেগ জাষ্টিছ ফৰ জুবিন** লিখিবলৈ আৰম্ভ কৰিছিল।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ বাবে কাইলৈ কংগ্ৰেছ দলৰ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী অসমলৈ আহিব। তেওঁ সোণাপুৰৰ কমাৰকুছিত থকা শিল্পীগৰাকীৰ শেষকৃত্যস্থলীলৈ গৈ শ্ৰদ্ধা নিবেদন কৰিব। শ্ৰী গান্ধীয়ে শিল্পীগৰাকীৰ বাসগৃহলৈ গৈ পৰিয়ালৰ লোককো সাক্ষাৎ কৰাৰ কথা।

০০০০০০

ৰাজ্যত কালি ঘোষিত এ ডি আৰ ইৰ চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তি পৰীক্ষাৰ ফলাফল অনুসৰি ১৩ লাখ ৯৯ হাজাৰ ৮৯৮ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৫ হাজাৰ ২৩ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণ হৈছে। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত এখন সংবাদমেলত ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধ্যক্ষ ড° বি কল্যাণ চক্ৰৱৰ্তীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ৪১ টা বিভাগত প্ৰয়োজনীয় এই পদসমূহৰ বাবে যোৱা বছৰৰ ২৭ অক্টোবৰত লিখিত

পৰীক্ষা অনুষ্ঠিত হৈছিল। লিখিত পৰীক্ষাত অৱতীৰ্ণ মুঠ প্ৰাৰ্থীৰ ভিতৰত ৯ হাজাৰ ৭৬২ গৰাকীক মৌখিক পৰীক্ষাৰ বাবে বাছনি কৰা হৈছিল। মৌখিক পৰীক্ষাত বাছনি লাভ কৰা ৫ হাজাৰ ২৩ গৰাকী প্ৰাৰ্থীৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ এহেজাৰ ৮৭ গৰাকী আৰু আই টি আই উত্তীৰ্ণ এহেজাৰ ৮৩৩ গৰাকী প্ৰাৰ্থী আছে বুলি তেওঁ প্ৰকাশ কৰে।

ইপিনে, অহা ১৭ অক্টোবৰত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ পদসমূহৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰিছে। অহা ২৫ অক্টোবৰৰ ভিতৰত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষক পদৰ ফলাফলসমূহ ঘোষণা কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে স্বচ্ছ আৰু নিকা নিযুক্তিৰ ক্ষেত্ৰত গতি অব্যাহত ৰখাৰ অংশ হিচাপে চলিত মাহৰ ভিতৰতে ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই উল্লেখ কৰিছে। তেওঁ লগতে অহা ৫ বছৰত দুই লাখতকৈ অধিক যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবে পৰিকল্পনা লোৱা হৈছে বুলিও প্ৰকাশ কৰে।

০০০০০০

উত্তৰ-পূৰ্বাঞ্চলত ক্ৰীড়াৰ প্ৰসাৰৰ বাবে কেন্দ্ৰীভূত আৰু বাস্তৱসন্মত আন্তঃগাঁথনিৰ ওপৰত ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই গুৰুত্ব আৰোপ কৰিছে। কালি মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাৰ সৈতে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে উত্তৰ-পূৰ্বাঞ্চলৰ ক্ৰীড়া প্ৰসাৰ সন্দৰ্ভত দ্বিতীয় উচ্চস্তৰীয় কৰ্মবাহিনীৰ বৈঠকত অধ্যক্ষতা কৰি মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। এই বৈঠকত কেন্দ্ৰীয় যুৱ-পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰক্ষা নিখিল খাদ্‌চে, মিজোৰামৰ ক্ৰীড়া মন্ত্ৰী, মণিপুৰ, নাগালেণ্ড আৰু মিজোৰামৰ মুখ্য সচিবৰ উপৰি উত্তৰ-পূব পৰিষদৰ বিষয়াসকলেও ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লয়। এই বৈঠকত ক্ৰীড়াৰ আন্তঃগাঁথনিৰ উন্নয়ন, প্ৰতিভা চিনাক্তকৰণ, প্ৰতিযোগিতামূলক মনোভাৱ সৃষ্টিকে ধৰি কেইবাটাও বিষয়ত আলোচনা কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী সিন্ধিয়াই এই বৈঠকত দায়বদ্ধ প্ৰশিক্ষক নিয়োগ কৰি তৃণমূল পৰ্যায়ৰ পৰা ক্ৰীড়া প্ৰতিভা চিনাক্ত কৰাৰ বাবে আহ্বান জনায়।

০০০০০০

অসম চৰকাৰে ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিক সামৰি ৰূপায়ণ কৰা মেগা স্বাস্থ্য শিবিৰ কাৰ্যসূচীৰ অধীনত কালি বিশ্বনাথ, কাছাৰ, কামৰূপ মহানগৰ, নগাঁও আৰু তিনিচুকীয়া জিলাত শিবিৰ মুকলি কৰা হয়। বিশ্বনাথ জিলাৰ কমাৰ্চ কলেজত, কাছাৰ জিলাৰ উদাৰবন্দ বিধানসভা সমষ্টিৰ বাবে, জগন্নাথ সিং কলেজত নগাঁও বটদ্ৰৱা সমষ্টিৰ বাবে, নেহৰুবালি খেলপথাৰত আৰু তিনিচুকীয়া জিলাৰ শদিয়া সমষ্টিৰ বাবে শদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিবিৰ মুকলি কৰা হয়। এই শিবিৰসমূহত ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ ৫০ টা ৰোগ চিনাক্তকৰণৰ বাবে স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে প্ৰয়োজনসাপেক্ষে ৰোগীক চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয়।

ৰাজ্যজুৰি অনুষ্ঠিত **শুশ্ৰূষা সেঁতু** শীৰ্ষক এই শিবিৰত এই পৰ্যন্ত লক্ষাধিক শিশু আৰু কিশোৰ-কিশোৰীক চিকিৎসা সেৱা প্ৰদান কৰা হৈছে। যোৱা ১০ অক্টোবৰ পৰ্যন্ত ৰাজ্যৰ ৩৭টা সমষ্টিভিত্তিক স্বাস্থ্য মেলাত ১০ হাজাৰৰো অধিক ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীক প্ৰাথমিক পৰ্যায়ৰ চিকিৎসা প্ৰদান কৰা হৈছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে এই শিবিৰৰ আয়োজন কৰা হৈছে। শিবিৰসমূহত ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ প্ৰাথমিক পৰ্যায়ত ৰোগ নিৰ্ণয় আৰু বিনামূলীয়া চিকিৎসা তথা পৰামৰ্শ প্ৰদান কৰা হ'ব। নিউ গুৱাহাটী সমষ্টিৰ বাবে কালি চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত শিবিৰ মুকলি কৰা হয়। শিবিৰত দুহেজাৰ ৩৩৬ গৰাকী শিশু আৰু কিশোৰ কিশোৰীয়ে বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা বিনামূলীয়া চিকিৎসা লাভ কৰে। ইয়াৰে ১৫৪ গৰাকীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। একেদৰে

গুৱাহাটী ছেণ্ট্ৰেল বিধানসভা সমষ্টিৰ বাবে কাইলৈ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় খেলপথাৰত আৰু ডিমৰীয়া সমষ্টিৰ বাবে ২৪ অক্টোবৰত ডিমৰীয়াত এই শিবিৰ অনুষ্ঠিত হ'ব। দিছপুৰ সমষ্টিৰ বাবে ৩১ অক্টোবৰত দক্ষিণ বেলতলা উচ্চ মাধ্যমিক বিদ্যালয়ত শিবিৰ মুকলি কৰা হ'ব।

ডিমা হাচাও জিলাৰ এন এল দাউলাগুপু ক্ৰীড়া প্ৰকল্পত আজি এনে ধৰণৰ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। বিশ্বনাথ জিলাতো সমষ্টি ভিত্তিত কালি মেগা স্বাস্থ্যশিবিৰ অনুষ্ঠিত হয়। বিশ্বনাথ বাণিজ্য মহাবিদ্যালয় প্ৰাংগণত এই মেগা স্বাস্থ্য শিবিৰৰ আৰম্ভণি কৰা হয়।

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত পি এম শ্ৰী নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এনে স্বাস্থ্য শিবিৰৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। এই শিবিৰত কেইবাটাও বিভাগৰ বিশেষজ্ঞ চিকিৎসকে বিনামূলীয়াকৈ চিকিৎসা সেৱা আগবঢ়াব। বিধায়ক তৰংগ গগৈয়ে কালি শিবিৰৰ প্ৰস্তুতি পৰিদৰ্শন কৰি সমষ্টিবাসীক এই শিবিৰ সফল কৰি তুলিবলৈ আহ্বান জনায়।

oooooo

ডিব্ৰুগড় জিলা আয়ুক্তৰ সভাকক্ষত কালি জলজীৱন অভিযান, অসমৰ মিছন সঞ্চালকৰ সভাপতিত্বত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত চলি থকা জলজীৱন অভিযানৰ কাম-কাজ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্ত, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ডিব্ৰুগড় চক্ৰৰ অধীক্ষক অভিযন্তা, কাৰ্যবাহী অভিযন্তাৰ লগতে দুয়োখন জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

oooooo

মহিলাৰ আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত অনুষ্ঠানত পাকিস্তান আৰু ইংলেণ্ডৰ মাজৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষিত হয়। ফলত দুয়োটা দলেই এক পইণ্টকৈ লাভ কৰে। খেলখনৰ প্ৰথম ইনিংছত বৰষুণে বিঘিনি ঘটোৱাৰ বাবে দুয়োটা দলকেই ৩১ অভাৰকৈ খেলাৰ সুযোগ দিয়া হৈছিল। প্ৰথমে বেট ধৰি ইংলেণ্ডে ৯ উইকেটৰ বিনিময়ত ১৩৩ ৰান সংগ্ৰহ কৰা খেলখনত ডি এল এছ্ পদ্ধতিৰ সহায়ত পাকিস্তানক ১১৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া হৈছিল। অৱশ্যে পাকিস্তানে ৭ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৩৪ ৰান সংগ্ৰহ কৰাৰ সময়তে বৰষুণৰ বাবে খেলখন পৰিত্যক্ত ঘোষণা কৰিবলগীয়া হয়।

প্ৰতিযোগিতাত আজি বিশাখাপট্টনমত হ'বলগীয়া এখন খেলত অষ্ট্ৰেলিয়া বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

oooooo

জনতাৰ শিল্পী জুবিনগাৰ্গৰ ন্যায়ৰ প্ৰতিবাদত বাক্সাত অপ্ৰীতিকৰ  পৰিস্থিতি, অসম আৰক্ষীৰ সকলো ছুটী বাতিল, কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ কাইলৈ অসম ভ্ৰমণ আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাকে ধৰি মুঠ ৫ জনক বাক্সাৰ নিকাছিত নতুনকৈ নিৰ্মাণ কৰা কাৰাগাৰলৈ প্ৰেৰণ কৰাৰ সময়ত অঞ্চলটোত সৃষ্টি হোৱা ৰক্তাক্ত পৰিস্থিতিৰ বাতৰি অসমীয়া প্ৰতিদিন আৰু নিয়মীয়া বাৰ্তা কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। অন্যান্য কাকতসমূহেও একেটা বাতৰিকে ভিন্ন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাক্সাৰ পৰিস্থিতিৰ পাছত ৰাজ্য চৰকাৰে অসম আৰক্ষীৰ সকলো ছুটী বাতিল কৰিছে। এই বাতৰিটোক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ইপিনে, কালিৰ পৰিস্থিতিৰ পাছত জিলাখনত ইণ্টাৰনেট সেৱা কৰ্তন কৰাৰ লগতে কাৰাগাৰৰ ৫০০ মিটাৰ ব্যাসাৰ্ধত সমাগম নিষিদ্ধ কৰাৰ বাতৰি দৈনিক অগ্ৰদূত, আমাৰ অসম আদি কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে। জুবিনৰ ঘটনা সন্দৰ্ভত ছিংগাপুৰৰ ১১ জন লোকক এছ আই টিয়ে সোধাপোছা কৰাৰ বাতৰিক দৈনিক অসম কাকতে প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ ন্যায় বিচাৰি কংগ্ৰেছৰ নেতা ৰাহুল গান্ধী কাইলৈ অসমলৈ আহিব। এই বাতৰিটো অসমীয়া খবৰৰ লগতে অন্যান্য কাকতসমূহেও

প্ৰকাশ কৰিছে। জুবিনৰ ঘটনা সন্দৰ্ভত তদন্ত কৰাৰ বাবে ছিংগাপুৰ প্ৰশাসনে অসম চৰকাৰলৈ প্ৰয়োজনীয় সকলো সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰাৰ বাতৰিক দি আছাম ট্ৰিবিউন আৰু দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

oooooo

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ এলেকাত বাস কৰা প্ৰধান আদিবাসী কাৰ্বিকে ধৰি খিলঞ্জীয়া জনজাতিৰ লোকসকলক দ্বিতীয় পৰ্যায়ৰ পুৰ্থিমি আকেমাং আঁচনিৰ অধীনত বিনামূলীয়াকৈ ভূমি পট্টা বিতৰণ কৰিবলৈ পৰিষদৰ ভূমি আৰু ৰাজহ বিভাগে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। বিভাগীয় সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই আঁচনিৰ অংশ হিচাপে পৰিষদীয় মুঠ ২৬ টা সমষ্টিত ভূমিপট্টাৰ পৰা বঞ্চিত জিলাখনৰ লোকসকলৰ মাজত বিনামূলীয়া ভূমিপট্টা বিতৰণৰ কাৰ্যসূচী আজি পৰিষদীয় বিথুং ৰেংথামা সমষ্টিৰ পৰা শুভাৰম্ভ কৰা হ'ব। অহা বছৰ ৩০ জানুৱাৰীত এই আঁচনিৰ অন্ত পৰিব।

oooooo

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকবাৰে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত